# ভাৰতীয় ষ্টেট বেংক আৰু পাঞ্জাব্‌ নেশ্বনেল বেংকৰ বিত্তীয় সজাগতা অভিযান



**গণ সংবাদ, হাঁহচৰা, ১৭ আগষ্ট ঃ** ভাৰতীয় ষ্টেট বেংক আৰু পাঞ্জাব নেশ্বনেল বেংকৰ উদ্যোগত চলি থকা তিনিমহীয়া বিত্তীয়

[redacted]

সজাগতা অভিযানৰ অংশ হিচাপে যোৱা ১৬ আগষ্টত মধ্য যোৰহাট উন্নয়ণ খণ্ডৰ ৰাজে বাদুলীপুখুৰী গাঁও পঞ্চায়ত আৰু উত্তৰ পশ্চিম উন্নয়ণ খণ্ডৰ পূৱ চাৰি গাঁও পঞ্চায়তত এলানি সজাগতা সভা অনুষ্ঠিত কৰা হয়। উল্লেখযোগ্য যে, ভাৰতীয় ষ্টেট বেংক আৰু পাঞ্জাব নেশ্বনেল বেংকৰ উদ্যোগত যোৱা ১ জুলাইৰ পৰা অহা ৩০ চেপ্তেম্বৰ লৈকে ই-কে.ৱাই.চি উন্নীতকৰণ, সামাজিক সুৰক্ষা আঁচনি সন্দৰ্ভত এক সজাগতা অভিযান চলাই থকা হৈছে। ১৬ আগষ্টত অনুষ্ঠিত এই সজাগতা সভাত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ আঞ্চলিক সঞ্চালক সুস্মিতা ফুকন, আৰ.বি.আইৰ এজিএম পুনম চেতীয়া, আৰ.বি.আইৰ এলডিঅ' সন্তোষ কুমাৰ, পাঞ্জাব নেশ্বনেল বেংকৰ চাৰ্কল হেড, এৰিয়া মেনেজাৰ, ক্ৰিজিল ফাউণ্ডেশ্যনৰ প্ৰদ্যুৎ প্ৰাণ বৰপুজাৰী বিভিন্ন বেংকৰ বিষয়া কৰ্মচাৰী, বেংক মিত্ৰ, আৰু চি এছ পি অপাৰেটৰ সকলৰ লগতে ক্ৰাইচিল ফাউণ্ডেশ্যনৰ বাঘচুং আৰু তিতাবৰৰ চিএফএলৰ কৰ্মচাৰীসকল উপস্থিত থাকে। সজাগতা সভাত সামাজিক সুৰক্ষা আঁচনিৰ ওপৰত ভিডিঅ' উপস্থাপনৰ যোগেদি আৰ বি আইৰ বিত্তীয় সাক্ষৰতা, প্ৰধান মন্ত্ৰী জন-ধন যোজনা, জালিয়াতি প্ৰতিৰোধ, ন্যায়াধীশ আৰু ডিজিটেল গ্ৰেপ্তাৰ আদি বিষয়ৰ সজাগতা সৃষ্টি কৰাৰ প্ৰয়াস কৰা হয়। এই লানি কাৰ্যসূচীত বিত্তীয় সাক্ষৰতা প্ৰচাৰৰ লগতে ই-কেআইচিৰ উন্নীতকৰণ আৰু সামাজিক সুৰক্ষা আঁচনিৰ সৈতে সংযোগৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছে।